টাৰ বাণী
হ পিছফালৰ পৰা
ৰে আঘাত নকৰি
া কৰে তেওঁকেই
বুলি ক'ব পাৰি।
াৰ্ড' লুই লেভিনছন

# অসম আদিত্য

RNI REGN. No. : A
epaper.aso
Portal : www.a
e-mail : asom

সংখ্যা ২০৩ ■ ১১ শাওণ, ১৯৪৮ শক ■ মঙলবাৰ, ২৮ জুলাই, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, July 28, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

বয়স বঢ়াৰ লগে লগে
পিছত শৰীৰৰ দৈনিক
ধ্বংস হয়। সেয়ে স্ম
স্মৃতিশক্তি কমিবলৈ
মস্তিষ্কৰ কোষ



## সাহিত্য সভাৰ মৈত্ৰীবন্ধন উপ-সমিতিৰ আন্তঃৰাষ্ট্ৰীয় কবিতানুষ্ঠানত ড° বসন্ত কুমাৰ গোস্বামী

# ভাল কবি হ'বলৈ কৃচ্ছ সাধনা কৰাৰ প্ৰয়োজন

ষ্টাফ ৰিপৰ্টাৰ, ২৭ জুলাইঃ কবিতা লিখাতো বৰ টান কাম। ভাল কবি হ'বৰ বাবে কৃচ্ছ সাধনা কৰা প্ৰয়োজন। অসম সাহিত্য সভাৰ সভাপতি, বিশিষ্ট লেখক, সহিত্যিক ড০ বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। অসম সাহিত্য সভাৰ উদ্যোগত, আন্তঃৰাজ্য-বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি আৰু ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ (শতদল) শাখা সাহিত্য সভাৰ সহযোগত ২৬ জুলাইত ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাৰ পৰা ১০ বজালৈ দুঘণ্টাজোৰা অনলাইন মাধ্যমত অনুষ্ঠিত 'বিশ্বৰ কণ্ঠত কবিতা' শীৰ্ষক ব্যতিক্ৰমী আন্তঃৰাষ্ট্ৰীয় কবিতানুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ড০ গোস্বামীয়ে কয়— অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ শিপাডাল ইমান গভীৰ যে ইয়াক কেতিয়াও উভালি পেলাব নোৱাৰি। সভাপতিগৰাকীয়ে কয়— কবিতা সমালোচনা নহ'লে কেতিয়াও ভাল কবিতা সৃষ্টি হ'ব নোৱাৰে। তেওঁ ডিম্বেশ্বৰ নেওগ আৰু ভগৱতী প্ৰসাদ বৰুৱাৰ কবিতাৰ বিষয়ে উল্লেখ কৰি কয় যে সৰুতে ডিম্বেশ্বৰ নেওগৰ কবিতা ভগৱতী প্ৰসাদ বৰুৱাই সমালোচনা নকৰাহেঁতেন কেতিয়াও দুয়োজন একোগৰাকীকৈ শ্ৰেষ্ঠ কবি নহ'লহেঁতেন। কবিতা লিখিবলৈ শব্দ, বাক্যৰ জ্ঞান অতি প্ৰয়োজন বুলি উল্লেখ কৰি কয় যে কবিতা লিখিবলৈ অভিধান অধ্যয়ন কৰাতো নিতান্তই প্ৰয়োজন। কিন্তু সেই অভিধান পঢ়া কামটো অধিকাংশ কবি, সাহিত্যিকে নকৰে। কবি নৱকান্ত বৰুৱাই 'সম্ৰাট' নামৰ কবিতাটো লিখিবলৈ ছয় বছৰ সময় লৈছিল বুলি উল্লেখ কৰি তেওঁ কয়— কবিতাৰ সৃষ্টিৰ পূৰ্বে হৃদয়ৰ মাজলৈ কবিতাৰ চিত্ৰ বৈ যাব লাগিব। তেওঁ বিখ্যাত কবি গ্যেটে আৰু ভল্টেয়াৰৰ মাজত কবিতা চৰ্চাৰ বিষয়ে কেনেকৈ গুৰুত্ব পাইছিল, কেনেকৈ ভল্টেয়াৰ পৰৱৰ্তী সময়ত এগৰাকী বিশ্ববিখ্যাত কবি হৈছিল সেই বিষয়ে অতি মননশীলভাৱে উল্লেখ কৰে। শব্দ আৰু অৰ্থৰ সুষম সমন্বয় নাথাকিলেও ভাল কবিতা সৃষ্টি হ'ব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কবিসকলক শব্দ আৰু অৰ্থৰ আদৰ্শ বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আবেগ বিহ্বল হৈ কয়— এনে ধৰণৰ চিন্তা-চেতনাবিলাকে, এনে ধৰণৰ কৰ্ম প্ৰেৰণাই কেৱল অসম সাহিত্য সভাকেই নহয়, সমগ্ৰ অসমীয়া জাতি সত্তাক জাগ্ৰত কৰি তুলিব। তেওঁ কয়— অসম সাহিত্য সভাই কবিতাৰ মাধ্যমেৰে সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখিব বিচাৰিছে। মুম্বাইৰ সুখ্যাত ঘোষক, লেখক আৰু সাহিত্যিক দেৱজিৎ শইকীয়াই সঞ্চালনা কৰা অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক ড০ শশীকান্ত শইকীয়াই কয়—সমগ্ৰ বিশ্বৰ বিভিন্ন প্ৰান্তত থকা প্ৰৱাসী অসমীয়াৰ লগতে বিশ্বৰ জনপ্ৰিয় কবিসকলক একগোট কৰি অসমৰ ভাষা, সাহিত্য, সংস্কৃতি জনপ্ৰিয় কৰাই হ'ল এই অনুষ্ঠানৰ মূল উদ্দেশ্য। অনুষ্ঠানত মৈত্ৰীবন্ধন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি ৰুমা হাজৰিকাই অনুষ্ঠানটিৰ সফল আয়োজনৰ গুৰি ধৰি সদ্য প্ৰয়াত সকলো কবিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে অসমৰ বানপীড়িত ৰাইজলৈ সমবেদনা জ্ঞাপন কৰে আৰু উপস্থিত সকলো আন্তঃৰাষ্ট্ৰীয় কবি সমাজক আন্তৰিক শুভেচ্ছা আৰু আদৰণি জনাই অসম সাহিত্য সভাৰ সৈতে সংযোগ স্থাপন কৰাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। সমগ্ৰ বিশ্বৰ বিভিন্ন প্ৰান্তৰ দেশসমূহৰ পৰা অংশগ্ৰহণ কৰি কবিতানুষ্ঠানটিক অধিক মনোগ্ৰাহী কৰি তোলা কবিসকল ক্ৰমে— যুক্তৰাষ্ট্ৰ নিবাসী বিহগী কবি ৰঘুনাথ চৌধুৰীৰ আজোনাতি ড০ জয়ন্ত চৌধুৰী, যুক্তৰাজ্য শাখা সাহিত্য সভাৰ উপ-সভাপতি নিৰলা বৰুৱা, লেখক, কবি তথা শিৱসাগৰৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যাপক ড০ সীমান্ত বৰুৱা, মুম্বাইস্থিত শিক্ষাবিদ, বিজ্ঞানী, গৱেষক তথা কবি ড০ পাৰমিতা মুখাৰ্জী মল্লিক, শ্ৰীলংকাস্থিত বিশিষ্ট চিকিৎসক, কবি আৰু লেখক ডাঃ লংকা শ্ৰীবৰ্ধন, ছুইজাৰলেণ্ডৰ পৰা কবি মালতী বৰদলৈ, কুৱেইট শাখা সাহিত্য সভাৰ সভাপতি, কবি আলোক দাস, আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা কবি মনোৰমা দাস, পাঁচবাৰকৈ 'মিঃ ইণ্ডিয়া' খ্যাত শৰীৰচৰ্চাবিদ তথা কবি ভাৰতী হাজৰিকা, মুম্বাইৰ পৰা সুকবি সদানন্দ গগৈ, হায়দৰাবাদৰ পৰা কবি হৰজিন্দৰ সিং, হায়দৰাবাদৰ পৰা শিক্ষাবিদ ড০ সিন্ধুৰ টি ৱাৰকুৰ আৰু নেপালৰ পৰা বহুভাষিক কবি সন্তোষ কুমাৰ পোখৰাল। উল্লেখ্য যে গুগল মীট সঞ্চালনা কৰি সকলো কাৰিকৰী দিশ পৰিচালনা কৰে কানৈ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগৰ অধ্যাপক হৰজিন্দৰ সিঙে। অনুষ্ঠানটিত সাহিত্যপ্ৰেমী ৰাইজৰ মাজৰ পৰা আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ সদস্য গুণ ভূঞা, ড০ অঞ্জনা গোস্বামী, মীনাক্ষী দাস বৰুৱা, জেএন খাটনিয়াৰ, তৃষ্ণা শইকীয়া, প্ৰদীপ কুমাৰ গোস্বামী, মুম্বাই স্বৰ্ণ শাখাৰ সভাপতি হিৰণ ভূঞা, প্ৰাক্তন প্ৰচাৰ সচিবদ্বয় দেৱীকা বৰপূজাৰী আৰু অজিত হাজৰিকা, প্ৰাক্তন পত্ৰিকা সম্পাদক পবিত্ৰা বৰঘৰীয়া, সাংস্কৃতিক সম্পাদক মৌচুমী দাস, বিবেকা হাজৰিকাকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শেষত শলাগ জ্ঞাপন কৰে কানৈ মহাবিদ্যালয়ৰ (শতদল) শাখা সাহিত্য সভাৰ সভাপতি অধ্যাপিকা ড০ তৃষ্ণা দুৱৰা কলিতাই।